# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-10-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত কলিয়াবৰ বিধানসভা সমষ্টিৰ মুঠ ৩২ হাজাৰ ৪৮২ গৰাকী হিতাধিকাৰীক উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে। এই উপলক্ষে কলিয়াবৰৰ ডাঃ টি আও ষ্টেডিয়ামত আয়োজিত জনসভাত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ৰাজ্যত বৰ্তমান প্ৰায় ৪ লাখ আত্মসহায়ক গোট আছে। কলিয়াবৰ সমষ্টিত প্ৰায় ৪ হাজাৰ আত্মসহায়ক গোট গঠন কৰা হৈছে। এনে আত্মসহায়ক গোটসমূহক শক্তিশালী কৰিবলৈ ৰাজ্য চৰকাৰে বিগত সময়ছোৱাত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**বাইট ঃ মুখ্যমন্ত্ৰী**

আত্মসহায়ক গোটসমূহৰ মহিলাসকলে বিগত ১২-১৩ বছৰে বেংকৰ পৰা প্ৰায় ১২ হাজাৰ কোটি টকাৰ ঋণ লৈছে আৰু এই ঋণৰ ধন নিয়মীয়াকৈ ঘূৰাই দি আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যৰ ৪ লাখ আত্মসহায়ক গোটৰ সৈতে জড়িত ৪০ লাখ মহিলাক সামাজিক আৰু ব্যক্তিগতভাৱে সহায় কৰি এখন আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান আৰম্ভ কৰা হৈছে বুলিও ড০ শৰ্মাই ভাষণত উল্লেখ কৰে।

ধুবুৰী জিলাৰ গৌৰীপুৰৰ ৰজা প্ৰতাপ চন্দ্ৰ বৰুৱা খেলপথাৰতো আজি মুখ্যমন্ত্ৰী উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰা হয়। এই উপলক্ষে আয়োজিত সভাত অংশগ্ৰহণ কৰি ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে জিলাখনৰ বীৰছিং জৰুৱা বিধানসভা সমষ্টিৰ অধীনৰ ৮ হাজাৰ ৫৫৩টা আত্মসহায়ক গোটৰ মহিলাসকলৰ মাজত চেক বিতৰণ কৰে।

০০০০

ভাৰতীয় ৰে'লৱেই উৎসৱৰ বতৰত যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ দেশতে ১২ হাজাৰ ১১ খন বিশেষ ৰে'লৰ চলাচল কৰাইছে। ইয়াৰ অংশ হিচাপে উত্তৰ-পূব সীমান্ত ৰে'লৱেই ৪৮ খন বিশেষ ৰে'লৰ চলাচল কৰাইছে। এই ৰে'লগাড়ী কেইখনে ডিচেম্বৰলৈকে ৬২০ টা যাত্ৰা সম্পন্ন কৰিব। উত্তৰ-পূব সীমান্ত ৰে'লৰে মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই জানিবলৈ দিয়া মতে কাইলৈৰ পৰা আৰু সাতটা যাত্ৰাপথত ৰে'লৰ চলাচল কৰোৱা হ'ব। ইয়াৰ ভিতৰত ডিব্ৰুগড়ৰ পৰা গোৰখপুৰলৈকে সাপ্তাহিক এখন বিশেষ ৰে'ল চলোৱা হ'ব। এই ৰে'লখনে ডিব্ৰুগড়ৰ পৰা পুৱা ৯ বাজি ১০ মিনিটত যাত্ৰা আৰম্ভ কৰিব।

০০০০

গোলাঘাট জিলা আৱকাৰী বিভাগৰ উদ্যোগত আজি গোলাঘাট সদৰ আৰু ফৰকাটিঙৰ দুটা দলৰ যুটীয়া প্ৰচেষ্টাত জিলাখনৰ কেইবা ঠাইতো সুৰা বিৰোধী তালাচী অভিযান চলোৱা হয়। হাবীচোৱা, লেতেকুআলি, খুমটাই, নুমলিগড়, থুৰামুখ আদি অঞ্চলত চলোৱা অভিযানত বৃহৎ পৰিমাণৰ সুৰা নষ্ট কৰাৰ লগতে কেইবাটাও ঘাটি উচ্ছেধ কৰা হয়।

০০০০

পাঠশালা ৰাস মহোৎসৱৰ সোণালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচী এইবাৰ ১৭ দিনীয়াকৈ উদ্‌যাপন কৰা হ'ব। অহা ৪ নৱেম্বৰৰ পৰা ২০ নৱেম্বৰলৈ পাঠশালা ভগৱতী ক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া ৰাস মহোৎসৱৰ সোণালী জয়ন্তী উদযাপনৰ বাবে ইতিমধ্যে ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। এই সন্দৰ্ভত আজি পাঠশালাত অনুষ্ঠিত এখন সংবাদমেলত ৰাস মহোৎসৱ উদযাপন সমিতিৰ সভাপতিয়ে কাৰ্যসূচী সম্পৰ্কে অৱগত কৰাৰ লগতে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাস মহোৎসৱৰ নৱনিৰ্মিত শ্ৰীশ্ৰীকৃষ্ণ মন্দিৰৰ দ্বাৰ উন্মোচন কৰিব বুলি প্ৰকাশ কৰে। মহোৎসৱস্থলীত ৫শৰো অধিক মৃন্ময় মূৰ্তি আৰু কাৰিকৰীভাৱে সজাই তোলা অন্যান্য মূৰ্তিৰ লগতে আকৰ্ষণীয় বাণিজ্য মেলাৰ আয়োজন কৰা হৈছে।

০০০০

স্বাস্থ্য বিভাগে ৰাজ্যজুৰি আৰম্ভ কৰা শুশ্ৰুষা সেতু শীৰ্ষক স্বাস্থ্য শিবিৰৰ অংশ হিচাপে আজি শ্ৰীভূমি জিলাৰ উত্তৰ কৰিমগঞ্জ বিধানসভা সমষ্টিৰ নীলমণি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। মন্ত্ৰী কৃষ্ণেন্দু পালে এই শিবিৰ মুকলি কৰে। তেওঁ এনেধৰণৰ শিবিৰে সমাজৰ প্ৰতিটো স্তৰতে ব্যাপক স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদান কৰে বুলি মন্তব্য কৰে।

পশ্চিম কাৰ্বি আংলঙৰ ৰংখাং বিধানসভা সমষ্টিৰ খেৰণিত থকা কপিলী মহাবিদ্যালয় খেলপথাৰতো আজি স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত সমষ্টিটোৰ তিনি হাজাৰৰো অধিক ৰোগীক চিকিৎসা সেৱা প্ৰদান কৰা হয়।

০০০০

কাজিৰঙা ক্ৰীড়া সন্থা আৰু গেলেকী যুৱ সংঘৰ উদ্যোগত সদৌ অসম ভিত্তিত দিবা নৈশ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। কাজিৰঙা ক্ৰীড়া সন্থাৰ খেলপথাৰত অহা ৯ ৰ পৰা ১২ নৱেম্বৰলৈ ৰাইন' কাপ ২০২৫ শীৰ্ষক ফুটবল প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। কৃষি মন্ত্ৰী মন্ত্ৰী অতুল বৰাই আজি কাজিৰঙা ক্ৰীড়া সন্থাৰ খেলপথাৰ পৰিদৰ্শন কৰি এই প্ৰতিযোগিতাখনৰ প্ৰস্তুতি সম্পৰ্কে বুজ লয়। আয়োজক সমিতিয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দলসমূহক প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে আহ্বান জনাইছে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**